**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-11-2025
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***

## ***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় উন্নয়নৰ মাপকাঠীৰ বিষয়ে পুনৰ বিবেচনা কৰিবলৈ আহ্বান জনাইছে।

২। আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থা লেখীয়া আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে চাৰিখন শ্ৰম বিধিৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত চৰকাৰে কৰা ঘোষণাৰ প্ৰতি আদৰণি জনাইছে।

৩। তেলেংগানাত আজি নিষিদ্ধ ঘোষিত চিপিআই মাওবাদীৰ ৩৭ গৰাকী সদস্যই অস্ত্ৰ সমৰ্পণ কৰে।

৪। ভিয়েটনামত নেৰা-নেপেৰা বৰষুণ, বান আৰু ভূমিস্খলনত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ৫৫ লৈ বৃদ্ধি পাইছে।

*আৰু*

৫। বৰ্ষাপাৰা টেষ্টত দক্ষিণ আফ্ৰিকাই আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত ছটা উইকেটৰ বিনিময়ত ২৪৭ ৰান সংগ্ৰহ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গোলকীয় উন্নয়নৰ মাপকাঠিসমূহ পুনৰ বিবেচনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দক্ষিণ আফ্ৰিকাৰ জোহান্সবাৰ্গত অনুষ্ঠিত জি-২০ সন্মিলনৰ প্ৰথম সত্ৰত ভাষণ দি কয়, যে জি-২০য়ে গোলকীয় পৰ্যায়ত বিত্ত আৰু বিকাশক এটা স্থিতি দিছে কিন্তু বৰ্তমানৰ জি-২০ৰ আৰ্হিয়ে গৰিষ্ঠসংখ্যক লোকক সা-সুবিধাৰ পৰা বঞ্চিত ৰাখিছে। তেওঁ কয়, যে ইয়াৰ ফলত ব্যাপক হাৰত প্ৰকৃতি ধ্বংস হৈছে, বিশেষকৈ আফ্ৰিকা মহাদেশত ইয়াৰ প্ৰভাৱ অধিক দেখা গৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে নতুন দিল্লীত অনুষ্ঠিত জি-২০ শীৰ্ষ সন্মিলনত গ্ৰহণ কৰা ভালেমাৰ ঐতিহাসিক সিদ্ধান্ত কাৰ্যক্ষম কৰা হৈছে। শ্ৰী মোদীয়ে পৰ্যটন, খাদ্য-সুৰক্ষা, কৃত্ৰিম বুদ্ধিমত্তা, ডিজিটেল অৰ্থ ব্যৱস্থা, উদ্ভাৱন আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত দক্ষিণ আফ্ৰিকাৰ অধ্যক্ষতাৰ শলাগ লয়। তেওঁ গোলকীয় শাসন ব্যৱস্থাত গ্লোবেল ছাউথৰ ব্যাপক প্ৰতিনিধিৰ আৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে ভাৰতৰ পৌৰাণিক জ্ঞানৰ পৰম্পৰা আধাৰিত সমগ্ৰ মানৱতাবাদৰ ধাৰণাৰ কথা উল্লেখ কৰে, যাৰ ফলত উন্নয়ন আৰু প্ৰকৃতিৰ মাজত সন্তুলন বৰ্তি থাকে। প্ৰধানমন্ত্ৰী মোদীয়ে এখন পৃথিৱী, এটা পৰিৱাৰ আৰু এটা ভৱিষ্যত অৱধাৰণাৰ কথা উল্লেখ কৰে।

দক্ষিণ আফ্ৰিকাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা জি-২০ সন্মিলনত অংশ লৈ শ্ৰী মোদীয়ে কয়, যে সামূহিক আৰু বহনক্ষম দুয়োটা দিশকলৈ গোলকীয় উন্নয়নৰ মানসমূহ আৰু বিকাশৰ অগ্ৰাধিকাৰসমূহ পুনৰ নিৰীক্ষণ কৰাৰ এইটো এটা সঠিক সময়। তেওঁ লগতে কয়, যে ভাৰতৰ সভ্যতাৰ নীতিসমূহ বিশেষকৈ মানৱতা দিশসমূহ আগুৱাই দিব লাগে। প্ৰধানমন্ত্ৰী মোদীয়ে জি-২০ গোলকীয় স্বাস্থ্য যতন সঁহাৰি গোট গঠন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে,

যাতে স্বাস্থ্যৰ জৰুৰী অৱস্থা তথা প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সমগ্ৰ বিশ্বই একেলগে কাম কৰাৰ ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰিব পাৰে। তেওঁ কয়, যে যিকোনো জৰুৰীকালীন পৰিস্থিতিৰ সময়ত জি-২০ সদস্য ৰাষ্ট্ৰৰ এটা প্ৰশিক্ষিত চিকিৎসা বিশেষজ্ঞৰ দল সাজু কৰি ৰখা উচিত। মাদক দ্ৰব্যৰ অবৈধ সৰবৰাহ বৃদ্ধি পোৱাৰ প্ৰত্যাহ্বানৰ মুখামুখি হোৱাৰ বাবে প্ৰধানমন্ত্ৰী মোদীয়ে এনে ধৰণৰ সৰবৰাহ ৰোধ কৰাৰ বাবে জি-২০য়ে পদক্ষেপ লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰী মোদীয়ে লগতে মাদকদ্ৰব্যৰ সৰবৰাহৰ লগত জড়িত অৰ্থনীতি দুৰ্বল কৰাৰ বাবে সদস্য ৰাষ্ট্ৰসমূহক একত্ৰিত হ'বলৈ আহ্বান জনায়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে অহা দশকত আফ্ৰিকাৰ বাবে বিভিন্ন দক্ষতাৰ পদক্ষেপ গ্ৰহণ কৰি ১০ লাখ লোকক প্ৰশিক্ষণেৰে সাজু কৰি তোলাৰ বাবে বাবে প্ৰস্তাৱ দিয়ে। ইয়াৰ ফলত আফ্ৰিকাৰ সামৰ্থ বৃদ্ধি পোৱাৰ লগত উন্নয়নৰ এটা দীৰ্ঘ ম্যাদি পৰিকাথামো গঢ়ি উঠিব। শ্ৰী মোদীয়ে জি-২০ৰ অধীনত গোলকীয় পৰম্পৰাগত জ্ঞানৰ আদান-প্ৰদান কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে যাতে ভাৰতৰ পৃষ্ঠপোষকতাত ভৱিষ্যৎ প্ৰজন্মৰ বাবে বহনক্ষম পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জোহান্সবাৰ্গত চলি থকা জি-২০ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে আজি ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কীৰ ষ্টাৰমাৰক সাক্ষাৎ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমযোগে কয়, যে জোহান্সবাৰ্গত প্ৰধানমন্ত্ৰী ষ্টাৰমাৰক সাক্ষাৎ কৰি তেওঁ নথৈ আনন্দিত হৈছে। তেওঁ কয়, যে ভাৰত-ব্ৰিটেইনৰ মাজৰ সম্পৰ্কই এই বছৰ নতুন গতি লাভ কৰিছে আৰু দুয়োপক্ষই বিভিন্ন ক্ষেত্ৰত এই সহযোগিতাই আগবঢ়াই নিব। প্ৰধানমন্ত্ৰীয়ে লগত সন্মিলনৰ আপাহতে ৰাষ্ট্ৰ সংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰচৰ সৈতে ফলপ্ৰসূ আলোচনাত মিলিত হয়।

০০০০০০০

আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থা আৰু আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থা লেখীয়া আগশাৰীৰ আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহে চাৰিখন শ্ৰম বিধিৰ কাৰ্যকৰীকৰণ সন্দৰ্ভত চৰকাৰে কৰা ঘোষণাৰ প্ৰতি আদৰণি জনাইছে। এই সংস্থাসমূহে ইয়াক সামাজিক সুৰক্ষাৰ সুদৃঢ়কৰণ, ন্যূনতম পাৰিশ্ৰমিক পৰিকাঠামৰ বৃদ্ধি আৰু প্ৰতিষ্ঠানগত সামৰ্থ বৃদ্ধিৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ পদক্ষেপ বুলি অভিহিত কৰিছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে আন্তঃৰাষ্ট্ৰীয় সংস্থাসমূহৰ মন্তব্যই গোলকীয় শ্ৰম আৰু সামাজিক সুৰক্ষাৰ মান নিৰ্ধাৰণৰ ক্ষেত্ৰত ভাৰতৰ বৰ্ধিত ভূমিকাৰ কথাকে প্ৰতিফলিত কৰা বুলি উল্লেখ কৰিছে। আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাৰ সঞ্চালক প্ৰধানগৰাকীয়ে সামাজিক মাধ্যমযোগে কয়, যে চৰকাৰ, নিয়োগকৰ্তা আৰু শ্ৰমিকসকলৰ মাজত সামাজিক আলোচনা আৱশ্যকীয় হ'ব, কিয়নো এই সংস্কাৰসমূহ শ্ৰমিক আৰু ব্যৱসায়ৰ বাবে ইতিবাচক। আন্তঃৰাষ্ট্ৰীয় সামাজিক সুৰক্ষা সংস্থাই   নতুনকৈ প্ৰৱৰ্তন কৰা শ্ৰম বিধিয়ে শক্তিশালী সৰ্বাত্মক সামাজিক সুৰক্ষা ব্যৱস্থা গঢ়ি তোলাৰ প্ৰচেষ্টা তীব্ৰতৰ কৰি তুলিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০০০

কেন্দ্ৰীয় হজ কমিটিয়ে আজি মুম্বাইত আয়োজিত এখন বৈঠকত ২০২৬ বৰ্ষৰ হজৰ বাবে ভাৰতীয় হজ যাত্ৰীসকলৰ যাত্ৰা অধিক সুচল আৰু সৰল কৰি তোলাৰ উপায় সম্পৰ্কে আলোচনা কৰে। বৈঠকত সংখ্যা লঘূ পৰিক্ৰমা মন্ত্ৰালয়ৰ সচিব ড০ চন্দ্ৰশেখৰ কুমাৰে হজ কমিটিক হজ যাত্ৰীসকলৰ বকেয়া ধনৰ ৭৫ শতাংশ ততালিকে ঘূৰাই দিবলৈ নিৰ্দেশ দিয়ে। বাকী ২৫ শতাংশ সত্যা-সত্য নিৰূপণৰ পাছত পৰিযোধ কৰা হব। ড০ কুমাৰে লগতে হজ যাত্ৰাৰ সৈতে জড়িত সকলো কমকাজ সম্পূৰ্ণৰূপে ডিজিটেল, পৰ্টেল আধাৰিত আৰু কৃত্ৰিম বুদ্ধিমত্তা

পৰিচালিত ব্যৱস্থালৈ ৰূপান্তৰ কৰিবলৈ কয়। সংখ্যালঘূ পৰিক্ৰমা মন্ত্ৰালয় আৰু কেন্দ্ৰীয় হজ কমিটিয়ে ভাৰতীয় নাগৰিকৰ বাবে নিৰাপদ হজ যাত্ৰা সুনিশ্চিত কৰিবলৈ বদ্ধ পৰিকলৰ।

0000000

তেলেংগানাত নিষিদ্ধ ঘোষিত চিপিআই মাওবাদীৰ ৩৭ গৰাকী সদস্যই আজি হায়দৰাবাদত আৰক্ষী সঞ্চালক প্ৰধান বি শিৱধৰৰ সন্মুখত অস্ত্ৰ সম্বৰন কৰে। ইয়াৰ ভিতৰত ৰাজ্যিক কমিটিৰ তিনি গৰাকী জ্যেষ্ঠ সদস্য আৰু ২৫ গৰাকী মহিলা আছে।

আৰক্ষী সঞ্চালক প্ৰধান গৰাকীয়ে সাংবাদিকৰ আগত কয়, যে ৰাজ্য চৰকাৰে অলপতে হিংসা পৰিহাৰ কৰি সমাজৰ মূল সুঁতিলৈ উভতি অহাৰ বাবে জনোৱা আহ্বানৰ প্ৰতি সঁহাৰি জনাই এই সদস্য কেইগৰাকীয়ে অস্ত্ৰ সম্বৰণ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেওঁ কয়, যে অবিৰতভাৱে চলাই থকা অভিযান সংগঠনৰ ভিতৰচৰাৰ মত পাৰ্থক্য আৰু আহ-যাহৰ ক্ষেত্ৰত আৰোপ কৰা নিষেধাজ্ঞাৰ বাবে অঞ্চলটোত চিপিআই, মাওবাদীৰ ভেটি দুৰ্বল হৈ পৰিছে। অস্ত্ৰ সম্বৰন কৰা ৰাজ্যিক কমিটিৰ সদস্যসকলক সাহায্য হিচাপে ২০ লাখ টকাকৈ প্ৰদান কৰা হয়।

0000000

ভিয়েটনামত নেৰা-নেপেৰা বৰষুণ, বান আৰু ভূমিস্খলনত মৃত্যু হোৱাৰ লোকৰ সংখ্যা ৫৫ লৈ বৃদ্ধি পাইছে। দেশখনৰ দুৰ্যোগ আৰু বান ব্যৱস্থাপনা প্ৰাধীকৰণে প্ৰকাশ কৰা মতে ১৩ জন লোক এতিয়াও সন্ধানহীন হৈ আছে। বাঢ়নি পানীয়ে প্ৰায় ৮০ হাজাৰ হেক্টৰ ভূমিৰ খেতি নষ্ট কৰিছে আৰু ৩২ লাখ হাঁহ, কুকুৰা আৰু পশুধন উটুৱাই নিছে। বাঢ়নি পানীয়ে ২৮ হাজাৰ ৪০০ বাসগৃহ বুৰাই পেলাইছে আৰু ৯৪৬ টা বাসগৃহৰ ক্ষতিসাধন কৰিছে। প্ৰাধীকৰণৰ তথ্য অনুসৰি বানৰ ফলত প্ৰায় ৩৫ কোটি ৮০ লাখ মাৰ্কিন ডলাৰ পৰিমাণৰ সা-সম্পত্তি নষ্ট হৈছে। বান প্ৰভাৱিত অধিকাংশ অঞ্চলত বিদ্যুৎ যোগান বাহাল কৰা হৈছে যদিও এতিয়াও ৭৫ হাজাৰ পৰিয়াললৈ বিদ্যুৎ যোগান ব্যাহত হৈ আছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ নৱেম্বৰত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২৮ সংখ্যক খণ্ড। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ প্ৰেৰণ কৰিব পাৰিব। নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চ অথবা ৱান-নাইন-টু টু নম্বৰত মিছকল দিয়াৰ পাছত লাভ কৰা লিংকৰ জৰিয়তেও জনসাধাৰণে ২৮ নৱেম্বৰ পৰ্যন্ত দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

0000000

চৰকাৰে নেচনেল কেডেট ক'ৰ, এন চি চিৰ শক্তি ১৭ লাখৰ পৰা ২০ লাখলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। লগতে ৰাষ্ট্ৰীয় উন্নয়ন আৰু ৰাষ্ট্ৰীয় সুৰক্ষালৈ অধিক অৱদান আগবঢ়াব পৰাকৈ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী, এন চি চিৰ ভূমিকাৰো সম্প্ৰসাৰণ কৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত মাল্যাৰ্পণ কৰি প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে এইদৰে কয়। দেশৰ ২৮ বছৰ বয়সৰ ভিতৰৰ যুৱ সমাজৰ বিষয়ে উল্লেখ কৰি শ্ৰীসিঙে কয়, যে এই জনসংখ্যা দেশৰ প্ৰগতিৰ অন্যতম প্ৰধান চালিকা শক্তি। দেশৰ যুৱ শক্তি আৰু প্ৰতিভাৰ এন চি চি শক্তিশালী উদাহৰণ বুলিও তেওঁ উল্লেখ কৰে।

0000000

দক্ষিণ আফ্ৰিকাই ভাৰতৰ বিৰুদ্ধে গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টৰ আজি প্ৰথম দিনৰ খেলৰ সামৰণি পৰলৈকে প্ৰথম ইনিংছত ছটা উইকেটৰ বিনিময়ত ২৪৭ ৰান সংগ্ৰহ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই টছট জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। দক্ষিণ আফ্ৰিকাৰ হৈ ট্ৰিষ্টান ষ্টাবছে সৰ্বাধিক ৪৯ ৰান কৰে। ভাৰতৰ হৈ কুলদীপ যাদবে তিনিটা উইকেট দখল কৰে। যশপ্ৰীত বুমৰা, মহম্মদ ছিৰাজ আৰু ৰবীন্দ্ৰ জাদেজাই এটাকৈ উইকেট লাভ কৰে। ডিঙিৰ আঘাতৰ বাবে দ্বিতীয় টেষ্টৰ পৰা বাদ পৰা ভাৰতীয় দলৰ অধিনায়ক শুভমন গীলৰ স্থানত ঋষভ পণ্টে দলক নেতৃত্ব দিছে। দক্ষিণ আফ্ৰিকা সম্প্ৰতি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে।

ooooooo

সমাপ্ত